# NSD NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 20-07-2025

**Time:** 13-40 Hrs

***Assamese Midday Bulletin***

***Headlines***

**::::::::::::::::::::::::::::::::::::::::::**

১। সংসদৰ বৰ্ষাকালীন অধিৱেশনৰ পূৰ্বে আজি নতুন দিল্লীৰ সংসদ ভৱনত এখন সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়।

২। মেলেৰীয়া ৰোগ প্ৰতিহত কৰাৰ বাবে ভাৰতে থলুৱাভাৱে এড ফলচিভেক্স নামৰ এবিধ প্ৰতিষেধক বিকশাই তুলিছে।

৩। ঐতিহাসিক এপ'ল'-11 অভিযানক উদযাপন কৰি আজি সমগ্ৰ বিশ্বতে আন্তঃৰাষ্ট্ৰীয় চন্দ্ৰ দিৱস পালন কৰা হৈছে।

৪। ভিয়েটনামৰ হা লং উপকূলত পৰ্যটক ভৰ্তি এখন নাও ডুব যোৱাৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ৩৮ লৈ বৃদ্ধি পাইছে। ***আৰু***

৫। ভাৰত ছেম্পিয়নছ্ আৰু পাকিস্তান ছেম্পিয়নছ্‌ৰ মাজৰ বিশ্ব ছেম্পিয়নশ্বিপ অৱ লেজেণ্ডছ্ ক্ৰিকেট প্ৰতিযোগিতাখন বাতিল কৰা হৈছে।

০০০০

সংসদৰ বৰ্ষাকালীন অধিৱেশনৰ পূৰ্বে আজি নতুন দিল্লীৰ সংসদ ভৱনত এখন সৰ্বদলীয় বৈঠক অনুষ্ঠিত হৈছে। বৈঠকত চৰকাৰে সংসদৰ উভয় সদনৰ কামকাজ সুচাৰুৰূপে চলাই নিয়াৰ বাবে সকলো দলৰ সহযোগিতা কামনা কৰিছে। বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলে এই বৈঠকত অংশ লৈছে। কেন্দ্ৰীয় মন্ত্ৰী তথা ৰাজ্যসভাৰ নেতা জগত প্ৰকাশ নাড্ডা, সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজু, সংসদীয় পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল আৰু ডং এল মুৰুগানে বৈঠকত অংশগ্ৰহণ কৰিছে। তদুপৰি কংগ্ৰেছৰ গৌৰৱ গগৈ আৰু প্ৰমোদ তিৱাৰী, এন চি পি-এছ্ চি পিৰ সুপ্ৰিয়া চুলে, ডি এম কেৰ তিৰুচি শিৱা আৰু টি আৰ বালু আৰু সমাজবাদী পাৰ্টীৰ ৰাম গোপাল যাদৱ বৈঠকত উপস্থিত থাকে।

সংসদৰ বৰ্ষাকালীন অধিৱেশন কাইলৈ আৰম্ভ হ'ব আৰু ২১ আগষ্টলৈ চলিব। অধিৱেশনত মুঠ ২১ দিন বৈঠক অনুষ্ঠিত হ'ব। অধিৱেশনৰ সময়ছোৱাত জনবিশ্বাস সংশোধনী ব্যৱস্থা বিধেয়ক ২০২৫, ৰাষ্ট্ৰীয় ক্ৰীড়া পৰিচালনা বিধেয়ক ২০২৫, ব্যৱসায়িক জাহাজ চলাচল বিধেয়ক ২০২৫ কে ধৰি কেইবাখনো গুৰুত্বপূৰ্ণ বিধেয়ক সদনত আলোচনা আৰু গ্ৰহণৰ বাবে উত্থাপন কৰা হ'ব।

০০০০

মেলেৰীয়া ৰোগ প্ৰতিহত কৰাৰ বাবে ভাৰতে থলুৱাভাৱে এড ফলচিভেক্স নামৰ এবিধ প্ৰতিষেধক প্ৰস্তুত কৰিছে। এই প্ৰতিষেধকে ম'হৰ আক্ৰমনৰ পৰা হব পৰা বাহকজনিত ৰোগৰ সংক্ৰমনৰ ক্ষেত্ৰত সুৰক্ষা প্ৰদান কৰি

অন্য লোকলৈ বিয়পাৰ ক্ষেত্ৰত বাধা দিব। এড ফলচিভেক্স হৈছে মেলেৰীয়া ৰোগ প্ৰতিৰোধৰ বাবে থলুৱাভাৱে বিকশাই তোলা প্ৰথমটো প্ৰতিষেধক। এই প্ৰতিষেধকবিধ মেলেৰীয়া ৰোগৰ সংক্ৰমনৰ বাবে দায়ী দুটা আটাইতকৈ ঘাটক পৰজীৱি প্লাজমোদিয়াম আৰু ফলচিপাৰুমক ৰোধ কৰাৰ বাবে বিশেষভাৱে বিকশাই তোলা হৈছে। ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদে ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা বিজ্ঞান প্ৰতিষ্ঠানৰ জৈৱ প্ৰযুক্তি বিভাগৰ সহযোগত এই প্ৰতিষেধকবিধ বিকশাই তুলিছে।

oooo

ঐতিহাসিক এপ'ল'-11 অভিযানক উদযাপন কৰি আজি সমগ্ৰ বিশ্বতে আন্তঃৰাষ্ট্ৰীয় চন্দ্ৰ দিৱস পালন কৰা হৈছে। এই অভিযানৰ অধীনত ১৯৬৯ চনৰ আজিৰ দিনটোতে মানুহে প্ৰথমবাৰৰ বাবে চন্দ্ৰপৃষ্ঠত ভৰি দিছিল। ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই পৃথিৱীৰ বায়ুমণ্ডলৰ বাহিৰৰ মহাকাশৰ শান্তিপূৰ্ণ ব্যৱহাৰ সন্দৰ্ভত গঠন কৰা সমিতিৰ অনুমোদন মৰ্মে ২০২১ চনত প্ৰথমবাৰৰ বাবে আন্তঃৰাষ্ট্ৰীয় চন্দ্ৰ দিৱস পালন কৰিছিল। আজিৰ দিনটোত চন্দ্ৰ অভিযান আৰু এই ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ প্ৰসাৰ, বহনক্ষম মহাকাশ ব্যৱস্থা আৰু ইয়াৰ গৱেষণাৰ ক্ষেত্ৰত লাভ কৰা গোলকীয় সাফল্যসমূহ উদ্যাপন কৰা হয়। সমগ্ৰ বিশ্বতে আন্তঃৰাষ্ট্ৰীয় চন্দ্ৰ দিৱস উপলক্ষে ৰাজহুৱা কাৰ্যসূচী, শৈক্ষিক অনুষ্ঠান, বিজ্ঞান প্ৰতিযোগিতা আদিৰ আয়োজন কৰা হৈছে। ইয়াৰ জৰিয়তে যুৱচামক মহাকাশ বিজ্ঞানৰ প্ৰতি আকৰ্ষিত কৰাৰ প্ৰয়াস কৰা হৈছে। এইবছৰৰ এই দিৱসৰ মূল বিষয়বস্তু হৈছে **এটা চন্দ্ৰ, এটা দৃষ্টিভংগী, এটা ভৱিষ্যত**।

oooo

পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে কয়, যে ভাৰতে তেলৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতাৰ দিশত অবিৰত আৰু আত্মনিৰ্ভৰশীল পদক্ষেপ গ্ৰহণ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে ভাৰতে এখোজ এখোজকৈ ইয়াৰ শক্তি খণ্ডৰ ভৱিষ্যত নিশ্চিত কৰিছে। সমুদ্ৰ উপকূলৰ এক লাখ বৰ্গ কিলোমিটাৰ এলেকা বৰ্তমান তৈল ক্ষেত্ৰ অন্বেষণৰ বাবে খুলি দিয়া হৈছে আৰু ৯৯ শতাংশ **নো গো** এলেকা মুকলি কৰা হৈছে বুলি শ্ৰীপুৰীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে কয় যে উদ্যোগী আৰু ঔদ্যোগিক নেতাসকলৰ বাবে ভাৰতৰ তেল আৰু গেছ অন্বেষণৰ বাবে এয়া হৈছে সঠিক সময়।

oooo

ভিয়েটনামৰ হা লং উপকূলত পৰ্যটক ভৰ্তি এখন নাও ডুব যোৱাৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ৩৮ লৈ বৃদ্ধি পাইছে। দুৰ্ঘটনাত সন্ধানহীনসকলক উদ্ধাৰৰ বাবে অভিযান অব্যাহত আছে। হা লং উপকূলত প্ৰৱল ধুমুহাৰ ফলত নাওখনত পানী সোমাবলৈ ধৰে আৰু পাৰৰ কৰ্তৃপক্ষৰ সৈতে যোগাযোগ ব্যাহত হৈ পৰে। নাওখনত ৫ জন ক্ৰু সদস্য আৰু ৪৮ জন পৰ্যটককে ধৰি মুঠ ৫৩ জন লোক আছিল। ইয়াৰে বেছি সংখ্যক যুৱক আৰু শিশু আছিল। উদ্ধাৰকাৰী বাহিনীয়ে প্ৰতিকূল বতৰ আৰু প্ৰচুৰ বৰষণৰ মাজতো অভিযান চলাই পানীৰ পৰা ১০ জন লোকৰ জীৱন ৰক্ষা কৰে। উল্লেখযোগ্য যে ভিয়েটনামৰ আটাইতকৈ পৰিচিত পৰ্যটনথলী, ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃতিপ্ৰাপ্ত হা লং উপকূল সেউজ নীলা পানী আৰু চুনশিল দ্বীপ হিচাপে পৰিচিত।

oooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুজৰাটৰ কাচ্চ উপকুলৰ সৌন্দৰ্যক লিপিবদ্ধ কৰিবলৈ কৰা প্ৰচেষ্টাক প্ৰশংসা কৰিছে। নতুন দিল্লীত প্ৰাধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে টিভিএছ মটৰ কোম্পানীৰ শীৰ্ষ বিষয়া ভেনু শ্ৰীনিবাসন আৰু সুদৰ্শন ভেনুৰে  তেওঁক সাক্ষাৎ কৰাৰ সময়ত  এই  মন্তব্য কৰে। প্ৰধানমন্ত্ৰী গৰাকীয়ে মটৰচাইকেল আৰোহীসকলক এই অঞ্চলটো ভ্ৰমণ কৰাৰ বাবে উৎসাহিত কৰে। শ্ৰীনিবাসনে প্ৰধানমন্ত্ৰী গৰাকীক কাচ্চৰ সংস্কৃতি, প্ৰাকৃতিক দৃশ্য আৰু ঐতিহ্য সামৰি প্ৰস্তুত কৰা ৰণ উৎসৱ ২০২৫ৰ এখন কফি টেবুল বুক প্ৰদান কৰে।

০০০০

ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিয়ে কৈছে যে ইউক্ৰেইনে মস্কোক নতুন এলানি শান্তি আলোচনাৰ প্ৰস্তাৱ দিছে। কালি সন্ধিয়া দেশবাসীক সম্বোধন কৰি দিয়া ভাষণত জেলেনস্কিয়ে কয় যে যুদ্ধবিৰতিৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা কৰা উচিত।

ইফালে, ৰাছিয়াৰ উপ-বিদেশ মন্ত্ৰী চাৰ্গেই ৰিয়াবকোভে কয় যে ৰাছিয়াই ইউক্ৰেইনৰ সৈতে হোৱা সংঘাতৰ কূটনৈতিক সমাধানৰ পক্ষপাতী আৰু আলোচনাৰ বাবে সাজু হৈছে। উল্লেখযোগ্য যে যোৱা মঙলবাৰে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ইউক্ৰেইনৰ সৈতে যুদ্ধবিৰতিৰ বাবে বিভিন্ন চৰ্তেৰে নিৰ্ধাৰণ কৰি দিয়া 50 দিনৰ সময়সীমা ৰাচিয়াই নাকচ কৰিছিল ।

০০০০

চৌদি আৰবৰ যুৱৰাজ অল-ৱালিদৰ আজি ৩৪ বছৰ বয়সত মৃত্যু হয়। প্ৰায় দুই দশক ধৰি যুৱৰাজগৰাকী ক'মা অৱস্থাত আছিল। ৰিয়াধৰ ইমাম টুৰ্কি বিন আব্দুল্লা মছজিদত যুৱৰাজগৰাকীৰ মৃত্যুত প্ৰাৰ্থনাৰ আয়োজন কৰা হৈছে। যুৱৰাজ অল-ৱালিদ হৈছে চৌদিৰ ৰাজ পৰিয়ালৰ এগৰাকী গুৰুত্বপূৰ্ণ সদস্য যুৱৰাজ খালিদ বিন তালালৰ জ্যেষ্ঠ পুত্ৰ। ২০০৫ চনত লণ্ডনত যুৱৰাজগৰাকীৰ ১৫ বছৰ বয়সত এটা দুৰ্ঘটনাত পতিত হৈ গুৰুতৰভাৱে আহত হৈছিল। ইয়াৰ ফলত তেওঁৰ মগজুত আঘাত লাগে। ইয়াৰ পাছত তেওঁক ৰিয়াধৰ কিং আব্দুল্লাজিজ মেডিকেল চিটিলৈ লৈ অনা হয় আৰু তেতিয়াৰ পৰাই তেওঁ ক'মাতে আছিল। যুৱৰাজগৰাকীক চৌদি আৰবৰ শ্লিপিং প্ৰিন্স হিচাপে জনা গৈছিল।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যুৱ আধ্যাত্মিক শীৰ্ষ সন্মিলনৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰি এটা প্ৰবন্ধ শ্বেয়াৰ কৰিছে। এই প্ৰবন্ধটোত যুৱ আধ্যাত্মিক শীৰ্ষ সন্মিলনৰ নিচা মুক্ত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ দিশত লোৱা গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি অভিহিত কৰা হৈছে। কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াৰ এটা পোষ্টৰ প্ৰতি সঁহাৰি জনাই প্ৰধানমন্ত্ৰীয়ে কয়, যে যুৱ আধ্যাত্মিক শীৰ্ষ সন্মিলন কিদৰে নিচা মুক্ত ভাৰত গঢ়াৰ দিশে

লোৱা বৃহৎ পদক্ষেপৰূপে পৰিগণিত হৈছে সেই বিষয়ে ড০ মন্দাভিয়াই বিশদভাৱে উল্লেখ কৰিছে। এম ৰাই ভাৰত উদ্যমে বিকশিত ভাৰতৰ বাবে নিচা মুক্ত যুৱ প্ৰজন্ম বিষয়বস্তুৰে উত্তৰ প্ৰদেশৰ পৱিত্ৰ কাশী ঘাটত যুৱ আধ্যাত্মিক শীৰ্ষ সন্মিলনৰ আয়োজন কৰিছে। মোদী চৰকাৰৰ নিচা মুক্ত ভাৰত অভিযানৰ অংশ হিচাপে আয়োজন কৰা এই সন্মিলন কালি আৰম্ভ হয়।

০০০০

ভাৰত ছেম্পিয়নছ্ আৰু পাকিস্তান ছেম্পিয়নছ্ৰ মাজত বিশ্ব ছেম্পিয়নশ্বিপ অৱ লেজেণ্ডছ্ ক্ৰিকেট প্ৰতিযোগিতাখন বাতিল কৰা হৈছে। সীমান্তৰ ইপাৰৰ সন্ত্ৰাসবাদক লৈ ভাৰত আৰু পাকিস্তানৰ মাজত চলি থকা উত্তেজনাময় পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আয়োজকসকলে এই খেল বাতিল কৰিছে। বিশ্ব ছেম্পিয়নশ্বিপ অৱ লেজেণ্ডছে এটা ৰাজহুৱা বিবৃতিৰ জৰিয়তে খেল অনুৰাগীসকলৰ আবেগত আঘাত হনাৰ লগতে ভাৰতীয় ক্ৰিকেট খেলুৱৈসকলে এইক্ষেত্ৰত সন্মুখীন হোৱা অসুবিধাৰ বাবে ক্ষমা বিচাৰে। সুৰেশ ৰাইনা, শিখৰ ধাৱনকে ধৰি অন্যান্য প্ৰবীন ভাৰতীয় খেলুৱৈসকলে পাকিস্তানৰ বিৰুদ্ধে প্ৰতিযোগিতাত অংশ লোৱাৰ বাবে অস্বীকাৰ কৰে। ভাৰত আৰু পাকিস্তানৰ মাজৰ খেলখন আজি বাৰ্মিংহামৰ এছবেষ্টনত অনুষ্ঠিত হোৱাৰ কথা আছিল। পাছত খেলখন বাতিল হোৱাৰ বাবে এছবেষ্টন ষ্টেডিয়ামে অনুৰাগীসকলক টিকটৰ সম্পূৰ্ণ মাছুল ঘুৰাই দিয়া হ'ব বুলি ঘোষণা কৰে।

০০০০

সমাপ্ত